# ECHO OF HIS CALL

# আহ্বানৰ প্ৰতিধ্বনি

**ASSAMESE**

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

**Editor : S. SAM SELVA RAJ** | **16 Languages** | **Associate Editor : Sis. Bornali Thapa Raj**

VOL.XXI YEAR OF OUR LORD JESUS CHRIST, 2020 OCTOBER No: 5


## পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক**

**প্ৰভুৰ প্ৰশংসা হওঁক!**

**মথি ৭ ঃ ১-১২**

১। তোমালোকে পৰৰ বিচাৰ নকৰিবা, তেহে তোমালোকৰো বিচাৰ কৰা নহ'ব।

২। কিয়নো যেনেকুৱা বিচাৰেৰে তোমালোকে বিচাৰ কৰা, তেনেকুৱা বিচাৰেৰে তোমালোকৰো বিচাৰ কৰা হ'ব, আৰু যি জোখেৰে তোমালোকে জোখা, সেই জোখাৰে তোমালোকলৈকো জোখা হ'ব।

৩। তুমি নিজৰ চকুত থকা চতিলৈ মন নকৰি, ভায়েৰাৰ চকুত থকা কুটাডালিলৈ কিয় চাইছা?

৪। আৰু চোৱা, নিজৰ চকুত চতি এডাল থাকোতেই, তোমাৰ চকুৰ পৰা কুটাডালি উলিয়াবলৈ দিয়া, এই কথা ভায়েৰাক কেনেকৈ ক'ব পাৰা?

৫। হে কপটি, প্ৰথমতে নিজৰ চকুৰ পৰা সেই চিতি উলিয়াই পেলোৱা, তেহে তোমাৰ ভায়েৰাৰ চকুৰ পৰা কুটাডালি উলিয়াবলৈ ভালকৈ দেখিবা।

৬। কুকুৰবোৰক পবিত্ৰ বস্তু নিদিবা আৰু তোমালোকৰ মুকুতা গাহৰিৰ আগত নেপেলাবা, কিজানি সিহঁতে সেইবোৰক ভৰিৰে গচকে আৰু ঘূৰি তোমালোককো ছিৰি পেলায়।

৭। খোজা, তেহে তোমালোকক দিয়া হ'ব, বিচাৰা তেহে পাবা, টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হ'ব।

৮। কিয়নো যেয়ে খোজে সেয়ে পায়, আৰু যেয়ে বিচাৰে সেয়ে দেখা পায়, আৰু যেয়ে টুকুৰিয়াই তালৈকে দুৱাৰ মুকলি কৰা হয়।

৯। কিয়নো পুতেকে পিঠা খুজিলে তাক শিল দিব, মাছ খুজিলে সাপ দিব,

১০।তোমালোকৰ মাজত এনে কোন মানুহ আছে?

১১।এই হেতুকে তোমালোকে দুৰ্জন হৈয়ো নিজৰ সন্তানক যদি ভাল বস্তু দিব জানা, তেন্তে তাতকৈয়ো তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে তেওঁত খোজাবিলাকক ভাল বস্তু নিদিবনে?

১২।এতেকে সকলো বিষয়তে, লোকে তোমালোকক যেনে ব্যৱহাৰ কৰিলে, তোমালোকে ভাল পোৱা, তোমালোকেও তেওঁবিলাকক তেনে ব্যৱহাৰ কৰা কিয়নো এয়ে বিধান আৰু ভাববাদীসকলৰ বাক্যৰ সাৰ।

## "যেতিয়া আমাৰ জীৱন অপ্ৰীতিকৰ হয় তেতিয়া আমি কি কৰিব পাৰো?"

## WHAT CAN YOU DO WHEN LIFE IS N'T FAIR?

অপ্ৰিয় সময় হয়তো জীৱনত বিয়পি গৈছে। যেতিয়া অপ্ৰিয় পৰিস্থিতিবোৰে আপোনাক আমনি কৰে, তেতিয়া আপোনাৰ প্ৰতিক্ৰিয়া কি ধৰণৰ হ'ব?

যেতিয়া মই এজন যুৱক হৈ আছিলো মই বাৰে বাৰে অভিযোগ কৰি কৈছিলো, 'এইটো সঠিক হোৱা নাই!' 'মোৰ বাবে সকলো সঠিকভাৱে চলিব লাগিছিল।'

যেতিয়া মই পৰিয়ালত কিবা অন্যায় হোৱা যেন দেখি যেতিয়া মই অভিযোগ কৰো, মোৰ পিতৃয়ে প্ৰায়েই মোক এক খণ্ডবাক্যক সোৰৰাই দিয়ে, 'জীৱনটোৱেই সঠিক নহয়' তেওঁ ব্যাখ্যা কৰি কৈছিল যে যদি মই গোটেই জীৱনকালত সকলো শুদ্ধভাৱে চলাটো আশা কৰো তেন্তে মই নিশ্চিতভাৱে নিৰাশ হৈ যাম। কিয়নো মই আশা কৰা মতে কেতিয়াও নঘটিব।

অৱশ্যে, এই কথাষাৰ শুনি মই ভালপোৱা নাছিলো, কিন্তু যেতিয়া মই পৰিপক্ক হৈ গৈ আছিলো, তেতিয়া মই দেখিলো যে প্ৰত্যেকৰ জীৱনত অন্যায়, দুখ-কষ্ট আৰু অযোগ্য ঘটনাবোৰ ঘটি থাকে।

তথাপিও অনুচিত ব্যৱহাৰবোৰে এতিয়াও মোক আমনি কৰি থাকে বিশেষকৈ

*৩ পৃষ্ঠাত চাওঁক*

## অনলাইন দেওবৰীয়া উপাসনা ইক অৱ হিজ কল ইউ টিউব চেনেলত ইংৰাজী, হিন্দী আৰু তামিল ভাষাত

অনলাইন দেওবৰীয়া উপাসনা ইক অৱ হিজ কল ইউ টিউব চেনেলত **ইংৰাজী, হিন্দী আৰু তামিল** এই তিনিটা ভাষাত আমি পুৱা ১০ঃ৩০ বজাত উপাসনা চলাই আছো। আপোনাক আদৰণি জনাইছো আৰু এই চেনেলটো চাবচক্ৰাইব কৰক। ই এক বিনামূলীয়া সেৱা।



**পালক এচ. চাম ছেলভা ৰাজ**

## শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্ৰিকান (মাহেকীয়া আলোচনী)



"যিবিলাকে চকুলোৰে বয়, সিবিলাকে আনন্দেৰে দাব "
(গীতমালা ১২৬ঃ৫)

খ্ৰীষ্ট যীচুত প্ৰিয় বন্ধুসকল,

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ এই বাৰ্তা পত্ৰৰ যোগেদি আপোনালোকক লগ পাই কিমান যে আনন্দ লাগিছে। হয়, আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ আচৰিত নামত শুভেচ্ছা জনালো!!



গোটেই পৃথিৱী এক ডাঙৰ কষ্টকৰ পৰিস্থিতি আৰু লক-ডাউনৰ অধীনত আছে। আমাৰ বহুতৰেই উপাৰ্জনৰ ওপৰত প্ৰভাৱ পৰিছে আৰু আমাৰ প্ৰিয় লোকসকলোৰো স্বাস্থ্যৰ অৱনতি ঘটিছে। তথাপি ঈশ্বৰৰ বাক্যই এতিয়াও আমাক কৈ আছে, "নিশ্বাস থকা সকলোৰেই যিহোৱাৰ প্ৰশংসা কৰক" (গীতমালা ১৫০ঃ৬)

আমাৰ বিভিন্ন দিশত অবৰ্ণনীয় বাধাবোৰ থকা স্বত্বেও প্ৰভু ঈশ্বৰে আমাক প্ৰতি মাহে অনুগ্ৰহেৰে আলোচনীখন প্ৰকাশ কৰিবলৈ সমৰ্থ কৰিছে। এই কাৰ্য্য কেৱল ঈশ্বৰৰ সাৰ্বভৌম অনুগ্ৰহৰ কাৰণেহে এই প্ৰচেষ্টাক বাস্তৱত পৰিণত কৰিব পৰা হৈ আছে। ঈশ্বৰৰ গৌৰৱ হওক।

আমাৰ সহকাৰী সম্পাদকসকল, কম্পিউটাৰৰ কৰ্মীসকল, সংশোধকসকল, কাৰ্য্যালয়ৰ কৰ্মীসকল আৰু ডাকঘৰৰ বিভাগীয় কৰ্মীসকললৈও কিয়নো তেওঁলোকে বিশ্বাসেৰে আৰু পৰিশ্ৰম কৰি আমাৰ বাৰ্তা পত্ৰবোৰ পঢুৱৈসকলৰ হাতত দিয়াত আমাক সহযোগ কৰি আছে। গতিকে সকলোলৈ আমাৰ কৃতজ্ঞতা জনালো। প্ৰকৃততেই তেওঁলোকে আমাৰ প্ৰেম আৰু প্ৰশংসা পোৱাৰ যোগ্য হয়। ঈশ্বৰে তেওঁলোকক অতি প্ৰাকৃতিকভাৱে আৰ্শীবাদ কৰক।

সমস্ত পৃথিৱীৰ লোকসকল আৰু ঈশ্বৰৰ মাজত থকা খালী ঠাই খ্ৰীষ্টিয়ান লোকসকল থিয় হোৱাৰ সময় আহিছে। আমাৰ নিজৰ কল্যাণৰ বাবে আমাৰ প্ৰাৰ্থনা সীমিত কৰা উচিত নহয়। এই পৃথিৱীলৈ ঈশ্বৰে অদ্ভুতপূৰ্ণ জাগৰণ পঠাবলৈ প্ৰাৰ্থনা কৰিব লাগে, যাৰ দ্বাৰাই জীৱিত ঈশ্বৰৰ বিষয়ে মানুহৰ ভুল ধাৰণাবোৰ গুচি যাব, তেওঁলোকে পোহৰ পাব আৰু পৰিত্ৰাণৰ জ্ঞান পাব।

আনকি এই মহামাৰী আৰু আকালৰ সময়তো আমাৰ কিছুমান সদস্যই বিশ্বাসেৰে আমাৰ পৰিচৰ্য্যাৰ বাবে আৰু মণ্ডলীসমূহলৈ তেওঁলোকৰ দান-বৰঙণি আৰু দশম ভাগ পঠিয়াই আছে। ই এক মহান কাৰ্য্য আৰু প্ৰশংসনীয় বিষয় হয়। আমি ঈশ্বৰৰ গৃহৰ পৰা তেওঁলোকক আৰ্শীৰ্বাদ কৰিছো।

ঈশ্বৰে কয় ঃ "তোমালোকে মোৰ ওচৰলৈ আহি এই কথা শুনা, মই আদিৰে পৰা গুপুতে কথা কোৱা নাই, সেই ঘটনা হোৱাৰে পৰা মই তাত বৰ্তমান আছো আৰু এতিয়া প্ৰভু যিহোৱাই নিজ আত্মা দি মোক পঠালে তোমাৰ মুক্তিদাতা ইস্ৰায়েলৰ পবিত্ৰ জনা যিহোৱাই এই কথা কৈছে, তোমাৰ উপকাৰৰ অৰ্থে তোমাক শিক্ষা দিওঁতা তুমি যাবলগীয়া বাটেদি তোমাক নিওঁতা তোমাৰ ঈশ্বৰ যিহোৱা মৱেই। অহ, তুমি মোৰ আজ্ঞাত মন দিয়া হ'লে, কেনে ভাল আছিল। দিয়া তোমাৰ শান্তি নদীৰ নিচিনা আৰু তোমাৰ ধাৰ্মিকতা সমুদ্ৰৰ ঢৌৰ নিচিনা হ'লহেতেঁন, তোমাৰ বংশও বালিৰ নিচিনা আৰু তোমাৰ


**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.

**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.



**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
**Phone :** (+91-44) 2852 8282
2852 9293, 2854 7766
**Email :** sam@echoofhiscall.org
biblecor@yahoo.co.in
**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com



**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners Village English High School Crusades 100 Prayer Warriors Community Development

ঔৰসৰ সন্তান-সন্ততিও তাৰ কণিকাসমূহৰ নিচিনা হ'লহেতেন, দিলে তাৰ নাম মোৰ আগৰ পৰা লুপ্ত কি নষ্ট নহ'ব” (যিচয়া ৪৮ঃ ১৬-১৯) একেদৰে পৰৱৰ্তী দিনসমূহত আপোনালৈও ঈশ্বৰে মহান কাৰ্য্যসমূহ সম্পন্ন কৰিব।

আপুনি এই বিষয়ে জ্ঞাতনে? আপুনি এই বিষয়ত জ্ঞাত বুলি মই ভাবো যে আমি প্ৰতি দেওবাৰে ১০ বজাত “ইক অফ হিজ কল” ইউ টিউব চেনেলত ইংৰাজী-হিন্দী আৰু তামিল এই তিনিটা ভাষাত উপাসনা চলাই আছো। আপোনাকো ইয়াত যোগদান দিবলৈ আদৰণি জনালো।

অনুগ্ৰহ কৰি আমাৰ বাবে প্ৰাৰ্থনা কৰক। আপুনিও আমাৰ প্ৰাৰ্থনাত আছে। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক
**এচ. চাম ছেলভা ৰাজ**

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

যেতিয়া নিৰ্দোষী মানুহৰ বিৰুদ্ধে জানিবুজি কোনোবাই অন্যায় কৰা দেখো। বোধকৰো আপুনিও যেতিয়া এজন মানুহে আনজনৰ পৰা তেওঁৰ দুৰ্বলতাৰ অনুচিত সুবিধা লোৱা বা এজন অপৰাধীয়ে শাস্তি নোপোৱা দেখিলে আপোনাৰো একেই প্ৰতিক্ৰিয়া হ'ব পাৰে।

তাৰোপৰি, যদি আপুনি ব্যক্তিগতভাৱে প্ৰৱঞ্চিত হ'ব বা কোনোবাই ঠগিব, বিশ্বাসঘাত কৰা হ'ব বা কোনোবাই আপোনাক অপমানিত কৰিব তেতিয়া আপুনি কেনে অনুভৱ কৰিব?

যেতিয়া আমি এনে কাৰ্য্যবোৰক ভুল বুলি উপলব্ধি কৰো আমাৰ স্বাভাৱিক মানৱীয় অনুভৱত নিৰাশা আহিব আৰু প্ৰতিবাদ হ'ব। ইয়াক আমি খঙেৰে আৰু তীক্ততাৰে, প্ৰতিশোধ মনোভাৱেৰে হয়তো সহাৰি দিম।

বিকল্পভাৱে আমি দুখ বা নিৰাশাত পৰিব পাৰোঁস আৰু অপাৰ্থিৱ নিৰ্জনতালৈ যাব পাৰো।

অন্যায়বোৰত নিয়ন্ত্ৰণ কৰিবলৈ এইবোৰেই কাৰ্য্যকৰী উপায়বোৰ হ'বনে, বা আৰু ইয়াক সাজিব পৰা আৰু ফলদায়ক কৰিব পৰা আন কিব পদ্ধতিবোৰ আছেনে? যেতিয়া জীৱনমৰ ঘটনাবোৰে আমালৈ উল্লেখনীয় সমস্যাবোৰ সৃষ্টি কৰে বা মানুহে আমাক অন্যায়ভাৱে আৰু অনুচিতভাৱে ব্যৱহাৰ কৰে, তেতিয়া আমি কি কৰা উচিত? আমি দুখ বা নিৰাশাৰ কেনেকৈ সন্মুখীন হ'ম বুলি আগেয়ে কেনেকৈ অনুভৱ কৰিব পাৰিম?

## জীৱনত এক কষ্টকৰ আৰম্ভণি

১৮৬৬ চনৰ ১৪ এপ্ৰিল মাচাছুচেটচ্‌ৰ ফিদিং হিলচ্ নামে ঠাইত জন্মগ্ৰহণ কৰা এনি চুলিভানৰ গল্পটিক গণ্য কৰি চাওঁক। তেওঁ এগৰাকী দুৰ্দশাগ্ৰস্তৰে পূৰ্ণ যুৱতী আছিল। তেওঁ কেৱল গভীৰ দৰিদ্ৰতাৰে ডাঙৰ দীঘল হৈছিল এনে নহয় কিন্তু তেওঁৰ মতলীয়া পিতৃৰ দ্বাৰাই শাৰিৰীকভাৱেও অপদস্ত হোৱা লোক আছিল। পাঁচ বছৰ বয়সত তেওঁ ট্ৰেচ'মা ৰোগত আক্ৰান্ত হৈছিল, চকুত বীজানুৰে সংক্ৰমিত হোৱা এবিধ ৰোগ। এই ৰোগত তেওঁ চিকিৎসা নোপোৱা বাবে অন্ধ হৈ গৈছিল।

যেতিয়া এনিৰ আঠ বছৰ বয়স হৈছিল তেওঁৰ মাতৃ এলিচ চুলিভান যক্ষ্মা ৰোগত ভুগি মৃত্যুমুখত পৰিছিল। তাৰ দুবছৰ পাছত তেওঁৰ পিতৃয়ে সন্তানকেইটাক পোহপাল দিব নোৱাৰাৰ বাবে এনি আৰু তেওঁৰ ভায়েক জেমচ চুৱেক্সবাৰী, মাচ নামে ঠাইত আলৰাশ্ৰমত এৰি আহিলে।

অনুষ্ঠানটোৰ অৱস্থা একেবাৰে শোচনীয় আছিল কিয়নো ইয়াত ধনৰ অভাৱ আছিল, অতিৰিক্ত মানুহেৰে ভৰি আছিল আৰু ঘৰবোৰ মেৰামতি নোহোৱাকৈ আছিল।

টুৱেক্সবাৰীত তেওঁ চাৰিবছৰ চলি থকা অৱস্থাত তেওঁৰ চকুৰ দৃষ্টি ঠিক কৰিবলৈ দুবাৰ সফল নোহোৱা অস্ত্ৰোপ্ৰচাৰ কৰিবলগা হৈছিল। যি কি নহওক ১৮৮০ চনৰ অক্টোবৰ মাহত এনিৰ বয়স যেতিয়া ১৪ বছৰ হৈছিল, বষ্টন চহৰৰ মাচাচুচেটছ্‌ৰ পাৰকিন্চ স্কুল ফৰ দা ব্লাইণ্ডত তেওঁত গ্ৰহণ কৰা।

## বাধাবোৰক জয় কৰিলে

পাৰকিন্চ্ স্কুলখনৰ উন্নতি হ'বলৈ আৰম্ভ হৈছিল। তেওঁৰ চকুৰ চিকিৎসাৰ বাবে অতিৰিক্ত চিকিৎসা পালে যাৰ বাবে তেওঁৰ চকুৰ দৃষ্টিশক্তি বৃদ্ধি হ'ল। গতিকে তেওঁ অলপ সময়ৰ বাবে পঢ়িব পৰা হ'ল। ফলস্বৰূপে তেওঁ শিক্ষাৰ দিশত তেওঁ ভালকৈ মনোযোগ দিব পাৰিলে। এনিয়ে অতি সুক্ষ্মাতিসুক্ষ্মৰূপে অধ্যয়ন কৰিবলৈ পাৰিছিল যাৰ বাবে তেওঁক উপাধিকৰণৰ সময়ত বক্তৃতা দিবলৈ দিয়া হৈছিল।

তেওঁৰ বক্তৃতাৰ সময়ত তেওঁৰ সহপাঠীসকলক এইদৰে ভাষণ দি প্ৰত্যাহ্বান জনাইছিলঃ ‘মোৰ প্ৰিয় সহপাঠীসকল, আমাৰ কৰ্তব্যই আমাক কাৰ্য্যক্ৰম জীৱনলৈ আগবাঢ়ি যাবলৈ দিয়ে। আহক আমি উল্লাসেৰে, আশাৰে আৰু নিৰন্তৰে আগবাঢ়ি যাওঁহক। আমাৰ বিশেষ লক্ষ্যত উপনীত হ'বলৈ আমি নিজকে প্ৰস্তুত কৰোহক। যেতিয়া আমি ইয়াক পাইছো আমি ইয়াক ইচ্ছাকৃতভাৱে আৰু বিশ্বাসেৰে কাৰ্য্যত পৰিণত কৰোহক, যিকোনো বাধাৰপৰা আমি জয়যুক্ত হওঁ, প্ৰতিটো কৃতকাৰ্য্যই আমাক আৰু অধিক ঈশ্বৰৰ কাষলৈ আনে আৰু তেওঁৰ হাতত আমাৰ জীৱন আৰু অধিক বৃদ্ধি হওঁক।’

পাৰকিনচ্ স্কুলৰ শিক্ষক আৰু কৰ্মচাৰীসকলে এনিৰ ধনাত্মক মনোভাৱ, নিপুণতা, বুদ্ধিমতা আৰু নেৰানেপেৰা চেষ্টাক দেখি আকৰ্ষিত হৈছিল। গতিকে তুচকুম্বিয়া, আলাবামত থকা কেল্লাৰ পৰিয়ালে এনিক তেওঁলোকৰ অন্ধ, কলা, বোবা জীয়াৰী হেলেনৰ বাবে শিক্ষক আৰু সদুপদেশক হিচাপে গ্ৰহণ কৰিলে।

## আমি কেৱল প্ৰতিক্ৰিয়া কৰিব জানো

এনি চুলিভানৰ এই কাহিনীটোৱে কি উদাহৰণ দিয়ে? তেওঁৰ যৌৱন কালত সন্মুখীন হোৱা গুৰুত্বপূৰ্ণ সমস্যাবোৰক লক্ষ্য কৰিলে, তেওঁ নিৰাশ, উগ্ৰ আৰু অপমানবোধক লৈ পৰিৱৰ্তন হ'ব পাৰিলেহেতেন। তেওঁ অনুচিতভাৱে ডাঙৰ-দীঘল আৰু তেওঁ অভিজ্ঞতা পোৱা কঠিন

সময়বিলাকৰ বিষয়ে অবিৰামভাৱে অভিযোগ কৰি থাকিব পাৰিলেহেতেন।

কিন্তু তেওঁ তেনে নকৰিলে। পৰিৱৰ্তে এনিয়ে তেওঁৰ পৰিস্থিতিবিলাকতকৈও আগত থাকিবলৈ বাচি ল'লে আৰু তেওঁৰ দক্ষতা আৰু অক্ষমতাবোৰক উন্নত কৰিবলৈ আৰু বঢ়াবলৈ সুবিধাবিলাকক আৱিস্কাৰ কৰিছিল। এইদৰে কৰি তেওঁ আৱেগিক আৰু চৰিত্ৰত পৰিপক্ক হৈ বাঢ়ি গৈছিল।

যিদৰে এনি চুলিভানে তেওঁৰ অসুবিধাৰ পৰিস্থিতিবোৰক ভালধৰণে নিয়ন্ত্ৰণ কৰিবলৈ জ্ঞানপূৰ্বকভাৱে সিদ্ধান্ত লৈছিল। আপুনি আৰু ময়ো তেনে অন্যায় আৰু তাড়নাৰ মাজত এই ধৰণৰ সিদ্ধান্ত ল'ব লাগে। আমি অলপ সময়ৰ বাবে বা দীঘলীয়া সময়ৰ বাবে এনিয়ে গভীৰ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ দৰে আমিও যদি সন্মুখীন হওঁ, তেন্তে আমি কিধৰণে ইয়াৰ প্ৰতিক্ৰিয়া কৰিম তাৰ সিদ্ধান্ত ল'ব পাৰো।

বাইবেলতো বহল পৰিসৰ অবিকল দৃষ্টিৰ পৰা এনে সিদ্ধান্তবোৰৰ উদাহৰণ দিয়া আছে।

## যোছেফ আৰু তেওঁৰ ককায়েকসকল

আহক আমি যোছেফৰ কাহিনী চমুকৈ চাওঁহক ইয়াত আৰম্ভণিতে যোছেফে তেওঁৰ পিতৃ যাকোববলৈ তেওঁৰ ককায়েক বিলাকে কিদৰে পোহপাল দিছিল তাৰেই বিষয়ে কুসম্বাদ জানোৱাৰ দেখিবলৈ পাওঁ। (আদিপুস্তক ৩৭ ঃ১-২) যোচেফৰ ককায়েকবিলাকে দেখিলে যে পিতৃয়ে যোচেফক তেওঁবিলাকতকৈ অধিক প্ৰেম কৰিছে (আদিপুস্তক ৩৭ ঃ৩) এনে অনুচিত বোধগম্য ধাৰণাই তেওঁবিলাকলৈ অপমানবোধ হ'ল।

পাছত যোছেফ দুইধৰণৰ সপোন দেখিছিল। যাৰ বাবে তেওঁ তেওঁৰ পিতৃ আৰু ককায়েকবিলাকৰ পৰা সন্মান লাভ কৰিছিল। তেওঁৰ ককায়েকবিলাকে ভাবিছিল যে তেওঁ ইচ্ছাকৃতভাৱে নিজকে প্ৰশংসিত কৰি আছে। যাৰ বাবে তেওঁলোকৰ আৰু অধিক খং উঠিছিল (আদিপুস্তক ৩৭ ঃ৫-১১)

পাছত যাকোবে যোচেফক ককায়েকবিলাকক চাই আহিবলৈ পঠিয়াইছিল। কিন্তু এইবাৰ তেওঁবিলাকে যোচেফক দেখি তেওঁলোকৰ মনত অধিক ঘৃণা উপজিল আৰু তেওঁবিলাকেৰ তাতেই যেচেফক বধ কৰিবলৈ পৰিকল্পনা কৰিছিল (আদিপুস্তক ৩৭ ঃ১৮-২০)

জ্যেষ্ঠ ককায়েক ৰুবেণে যোচেফক তেওঁবিলাকৰ হাতৰ পৰা অলপ সময়ৰ বাবে বচাবলৈ সমৰ্থ হ'ল (আদিপুস্তক ৩৭ ঃ২১-২৪)। কিন্তু পাছত তেওঁবিলাকে ৰুবেণক নজনোৱাকৈ যোচেফক ইস্মায়েলীয়া বণিক লোকবিলাকৰ হাতত বেছি দিলে।

তেওঁবিলাকৰ অপৰাধ ঢাকিবলৈ তেওঁবিলাকে এটা ছাগলী মাৰি যোচেফৰ চোলাটো তাৰ তেজত জুবুৰিয়ালে আৰু সেই দীঘল আস্তিনৰ চোলাটো নি যাকোবক দিলে যাতে যাকোবে ভাবক যে যোচেফক বনৰীয়া জন্তুৱে মাৰি খালে। যাকোবে বহু দিনলৈকে শোক কৰিলে আৰু শান্তনা পাবলৈও অস্বাকীৰ কৰিলে।

## যোচেফৰ প্ৰতিক্ৰিয়া

যোচেফৰ এই সকলো অসহ্যকৰ অৱস্থাক গণ্য কৰি চালে, যোচেফে হয়তো তিক্ততাত পৰিণত হ'ব পাৰিলেহেতেন আৰু তেওঁৰ দুখ-কষ্টত ঘোলা হৈ সীমাহীন সময় খৰচ কৰিব পাৰিলেহেতেন, কিন্তু তেওঁ তেনে নকৰিলে।

পৰিৱৰ্তে তেওঁ প্ৰত্যেক পৰিস্থিতিত ঈশ্বৰৰ সহায়ৰ বাবে নিৰ্ভৰ কৰিছিল আৰু তেওঁ উত্তম হ'বলৈ তেওঁৰ দক্ষতা আৰু শক্তিৰ লগত সহমত হ'বলৈ সিদ্ধান্ত লৈছিল। পাছত যেতিয়া ককায়েকবিলাকে যোচেফক লগ ধৰিবলৈ মিচৰলৈ আহিছিল তেতিয়া যোচেফ মিচৰত উচ্চ পদস্থ বিষয়া হৈ আছিল। তথাপি তেওঁ ককায়েকবিলাকক মৰমেৰে, শান্তনাৰে আৰু ক্ষমা দি কথা পাতিলে আনকি তেওঁ ব্যাখ্যা কৰি তেওঁবিলাকক ক'লে যে অনেক লোকৰ প্ৰাণ ৰক্ষা কৰা কাৰ্য্য সিদ্ধ কৰিবৰ অভিপ্ৰায়েৰে ঈশ্বৰে তেওঁক মঙ্গলৰ কল্পনা কৰিলে (আদিপুস্তক ৫০ ঃ১৫-২১)।

তেওঁৰ উদাহৰণবোৰে ইয়াকে বুজাই যে এজন ব্যক্তিৰ মনোভাৱ তেওঁৰ জীৱনত যি যি ঘটি গ'ল তাতকৈও তাৎপৰ্যভাৱে গুৰুত্বপূৰ্ণ হয়।

আমাৰ অপ্ৰীতিকৰ পৰিস্থিতিবিলাক গুচাবলৈ ঈশ্বৰৰ সম্পূৰ্ণ ক্ষমতা আছে। অন্যায়ভাৱে কষ্ট পোৱা লোকসকল, বিশ্বাসত থিৰে থকা লোকসকল আৰু তেওঁলৈ বাধ্য হৈ থকা লোকসকলক ঈশ্বৰেদেখি আছে। 'আপুনি তেওঁলৈ বিশ্বাসী হৈ থকাৰ বাবে যদি কোনোৱে আপোনাক অন্যায়কৈ ব্যৱহাৰ কৰে, তেতিয়া ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰিব' (১ পিতৰ ২ঃ১৯)

## ঈশ্বৰে অপ্ৰীতিকৰ পৰিস্থিতি আৰু ঘটনাবোৰ হ'বলৈ দিয়ে

ঈশ্বৰে তেওঁৰ ক্ষানত তেওঁৰ বিশ্বাসী সন্তানবিলাকলৈ কেতিয়াবা দুখ দিবলৈ অপ্ৰীতিকৰ আৰু অপমানজনক পৰিস্থিতি আহিবলৈ দিয়ে। (গীতমালা ১১৯ ঃ৭৫)

বিশ্বাসৰ অধ্যায় ইব্ৰী ১১ অধ্যায় ঈশ্বৰৰ কি ধৰণৰ কষ্ট পাই তাকেই বৰ্ণনা কৰিছে ঃ 'আন আন মানুহে বিদ্ৰূপ আৰু চাবুকৰ কোব, এনে কি, বন্ধন আৰু বন্দীশালৰ পৰীক্ষা পালে, তেওঁবিলাকক শিল দলিয়াই মৰা হ'ল, কৰতেৰে ফলা হ'ল, তেওঁবিলাক নানা ৰকমে পৰীক্ষিত হ'ল, তেওঁবিলাকক তৰোৱালেৰে বধ কৰা হ'ল, তেওঁবিলাকে দীনহীন আৰু ক্লেশ আৰু অত্যাচাৰ প্ৰাপ্ত হৈ, মেৰ আৰু ছাগৰ ছাল পিন্ধি ফুৰিছিল।

যীচু খ্ৰীষ্টৰ সম্পূৰ্ণ পাপহীন জীৱন আছিল, নিৰ্দয়শীল কষ্ট পোৱাৰ তেওঁ যোগ্য নাছিল (মথি ১৬ ঃ ২১)। তেওঁৰ প্ৰতি সেই ভয়ানক অন্যায়ৰ

### আমাৰ সহকাৰী সম্পাদক ভাই মানুৱেল এম. পৌলৰাজৰ দ্বাৰাই এখন নতুন পুস্তক লিখা হ'ল —

কিংডম অফ্ গড (ঈশ্বৰৰ ৰাজ্য) নামৰ ইংৰাজী পুস্তক এখন আমাৰ সহকাৰী সম্পাদক মানুৱেল এম. পৌলৰাজে লিখিছে আৰু ইয়াৰ ছপা কাম আমাৰ ছপাশালত হৈ আছে। এই পুস্তকখন এই মাহৰ শেষৰফালে মুকলি কৰা হ'ব আৰু ইয়াৰ মূল্য ১৩০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আপোনাৰ বাবে আপোনালোকে আমালৈ যোগাযোগ কৰিব পাৰে।

- সম্পাদক

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

### ২০২০ চনৰ ১৯ ছেপ্তেম্বৰ পৰা ২০২০ চনৰ ১৮ অক্টোবৰ লৈ

## প্ৰশংসাৰ বিষয়সমূহ ঃ

**ছেপ্তেম্বৰ ১৯** ঃ ঈশ্বৰে আমাক কভিড-১৯ ৰ পৰা ৰক্ষা কৰি আছে।

**ছেপ্তেম্বৰ ২০** ঃ ঈশ্বৰে আমাক অনুগ্ৰহেৰে শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তাৰে প্ৰৱেশ কৰিবলৈ সহায় কৰিলে।

**ছেপ্তেম্বৰ ২১** ঃ আমাৰ সকলো ৰাজ্যিক সহপৰিচালকসকলৰ বাবে প্ৰশংসা কৰোহক।

**ছেপ্তেম্বৰ ২২** ঃ আমাৰ ১৬ টা ভাষাৰ আলোচনীবোৰক আমাৰ ছপাশালত ছপা কৰি পৰিচৰ্য্যাৰ ক্ষেত্ৰলৈ পঠিওৱাত ঈশ্বৰে সহায় কৰিলে।

**ছেপ্তেম্বৰ ২৩** ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলীত পৰিচৰ্য্যা কৰা সহকৰ্মীসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহঁক।

**ছেপ্তেম্বৰ ২৪** ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্তেম্বৰ ২৫** ঃ আমাৰ প্ৰাৰ্থনাৰ সহকাৰী সম্পাদক আৰু আমাৰ প্ৰিয় ভাই মানুৱেল এম. পৌলৰাজৰ স্বাস্থ্যৰ উন্নতি হোৱাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্তেম্বৰ ২৬** ঃ আমাক সমৰ্থন কৰা লোকসকলৰ পৰা প্ৰাৰ্থনা আৰু সহায় পোৱাৰ বাবে ঈশ্বৰৰ প্ৰশংসা।

**ছেপ্তেম্বৰ ২৭** ঃ আমাৰ বিল্লেকৰ' বেচিক যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'ল'জিকেল পাঠ্যক্ৰমৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্তেম্বৰ ২৮** ঃ আমাৰ গাড়ীবোৰ আৰু চালকসকলক ঈশ্বৰে ৰক্ষা কৰি আছে সেয়েহে তেওঁৰ প্ৰশংসা কৰো।

**ছেপ্তেম্বৰ ২৯** ঃ দয়ালু মনৰ লোকসকল যিসকলে কৰোণা ভাইৰাছেৰে আক্ৰান্ত হোৱা লোকসকলক সহায় কৰিছিল আৰু আমাৰ পৰিচৰ্য্যাটো সহায় কৰাৰ বাবে ঈশ্বৰক ধন্যবাদ দনাওঁ।

**ছেপ্তেম্বৰ ৩০** ঃ ঈশ্বৰে আমাৰ অনলাইন উপাসনাসমূহক আশীৰ্বাদ কৰিছে।

**অক্টোবৰ ১** ঃ যোৱা মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ মণ্ডলীসমূহৰ কাৰ্য্যক্ৰমবিলাকত ঈশ্বৰে সহায় কৰিলে।

**অক্টোবৰ ২** ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

**অক্টোবৰ ৩** ঃ কৰোণা ভাইৰাছৰ সংক্ৰমণৰ পৰা তেওঁ অনুগ্ৰহেৰে ৰক্ষা কৰিছে বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

## প্ৰাৰ্থনাৰ বিষয়সমূহ!

**অক্টোবৰ ৪** ঃ আমাৰ ইংৰাজীৰ সহকাৰী সম্পাদক ভাই এম. পৌলৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গ আৰু ভনী চেৰেণা বেভিন আৰু তেওঁৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৫** ঃ আমাৰ আফ্ৰিকা মূলৰ সহকাৰী সম্পাদক ভনী মেৰিয়েটজী নেলচন আৰু তেওঁৰ পৰিয়ালবৰ্গৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৬** ঃ আমাৰ উৰ্দু সহকাৰী সম্পাদক ভাই সূৰজ কুমাৰ চান্দানী, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহায়কাৰী সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৭** ঃ আমাৰ মালায়ালম সহকাৰী সম্পাদক ৰেভাঃ বেঞ্জামিন মৌজেচ আৰু তেওঁৰ পৰিয়ালবৰ্গ আৰু সহায়কাৰী সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৮** ঃ আমাৰ তেলেগু সহকাৰী সম্পাদক পালক এন. মোহন বাবু আৰু তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহায়কাৰী সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৯** ঃ আমাৰ হিন্দী সহকাৰী সম্পাদক ভনী ড'ৰ'থী থমাছ, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহায়কাৰী সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১০** ঃ আমাৰ কানাড়া সহকাৰী সম্পাদক ৰেভাঃ আৰু ৰামাকৃষ্ণ আৰু তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহায়কাৰী সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১১** ঃ আমাৰ মাৰাঠী সহকাৰী সম্পাদক ৰেভাঃ শশী তিৱাৰী, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহায়কাৰী সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১২** ঃ আমাৰ গুজৰাটী সহকাৰী সম্পাদক ভাই পঙ্কজ ৰাদিয়া, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহায়কাৰীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৩** ঃ আমাৰ বেংগলী সহকাৰী সম্পাদক ৰেভাঃ অঞ্জন কুমাৰ সিং, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহকৰ্মী ভাই ইন্দ্ৰজিৎ ৰয় আৰু সহায়সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৪** ঃ আমাৰ উড়িয়া সহকাৰী সম্পাদক ভনী চুৰামা চামুৱেল, তেওঁৰ পৰিয়াল আৰু তেওঁৰ সহায়কাৰী সকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৫** ঃ আমাৰ নেপালী সহকাৰী সম্পাদক ভাই ভুবান প্ৰসাদ দেৱক'ঠা, তেওঁৰ পৰিয়ালবৰ্গ বিশেষকৈ তেওঁৰ ভাৰ্য্যা আৰু সহকাৰীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৬** ঃ আমাৰ সিংহালা সহকাৰী সম্পাদক ৰেভাঃ ষ্টিফেন যোচেফ আৰু তেওঁৰ সহায়কাৰীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৭** ঃ আমাৰ অসমীয়া সহকাৰী সম্পাদক বৰ্ণালী থাপা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গ আৰু সহায়কাৰীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৮** ঃ আমাৰ পাঞ্জাবী সহকাৰী সম্পাদক ভাই আশীস আৰু ভাই বিশ্বাস মচীহ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ আৰু তেওঁলোকৰ সহায়কাৰীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

বাবে তেওঁ কিদৰে সহাঁৰি জনাইছিল? তেওঁ ইচ্ছাকৃতভাৱে তেওঁৰ পৰিস্থিতিবোৰক তেওঁৰ পিতৃৰ ন্যায় আৰু পৰাক্ৰমী হাতত ৰাখি দিলে। দুখ পোৱা কালত ভাবি ধমকি নিদিলে কিন্তু ন্যায়ৰূপে বিচাৰ কৰোঁতা জনাৰ ওপৰত ভাৰ দিলে' (১ পিতৰ ২ ঃ২৩)। আনকি তেওঁ প্ৰাৰ্থনা কৰি ক'লে, 'হে পিতৃ, এওঁবিলাকক ক্ষমা কৰা, কিয়নো এওঁবিলাকে কি কৰিছে তাক নাজানে (লুক ২৩ ঃ৩৪)

## আজিৰ পৃথিৱীৰ বাহিৰলৈ চাওঁহক

ঈশ্বৰৰ বাৰ্তাটিনো কি? যেতিয়া আমি অন্যায়ভাৱে দুখ-কষ্ট পাওঁ তেতিয়া আমিও খ্ৰীষ্টৰ দৰে ইয়াৰ প্ৰতিক্ৰিয়া কৰিব লাগে। আমি সকলো মানুহৰ সৈতে পবিত্ৰতাক খেদি যাব লাগিব (ইব্ৰী ১২ ঃ১৪)। যীচু খ্ৰীষ্টই তেওঁৰ লোকসমূহক প্ৰেম আৰু ক্ষমাৰে অন্যায়ক নিয়ন্ত্ৰণ কৰিবলৈ কৈছে (মথি ৫ ঃ৪৪-৪৫)

এনে বহুধৰণৰ উদাহৰণ থাকিব পাৰে আমি সন্মান সহকাৰে আমাৰ বিৰুদ্ধে হোৱা অন্যায়বোৰক প্ৰতিৰক্ষা কৰিব পাৰো। উদাহৰস্বৰূপে পাঁচনি পৌলক এশৰ সেনাপতিজনে চাবুকেৰে কোবাবলৈ লোৱাৰ সময়ত পৌলে এজন ৰোমীয়া নাগৰিক হিচাবে তেওঁৰ অধিকাৰক ৰক্ষা কৰিবলৈ প্ৰতিবাদ কৰিছিল (পাঁচনিৰ কৰ্ম ২২ ঃ২৫)। কাৰোবাৰ সৈতে থকা বিবাদৰ সমাধান কৰাৰ সময়ত বাইবেলে আমাক পোনপটীয়াকৈ সেই লোকজনৰ ওচৰলৈ গৈ উচিত সমাধানৰ বাবে শান্তিৰে আৰু ভদ্ৰ ভাৱে ব্যৱহাৰ কৰি আলোচনা কৰিবলৈ কয় (মথি ১৮ ঃ১৫-১৬, গালাতীয়া ৬ঃ১-২)

পৌলেও বুজি পালে বৰ্তমানৰ দিনত সন্তোষজনক ন্যায় সদায় পাব নোৱাৰি (গালাতীয়া ১ ঃ৪, লুক ৪ঃ৬)। আজিৰ পৃথিৱীৰ বাহিৰলৈ চাই তেওঁ লিখিছিলঃ 'কিয়নো আমালৈ যি প্ৰভাৱ প্ৰকাশিত হ'ব, তাৰে সৈতে বৰ্তমান সময়ৰ দুখৰ তুলনা কৰিবলৈ একো যোগ্য নহয় বুলি গণ্য কৰো (ৰোমীয়া ৮ ঃ১৮)

## শেষ উত্তৰ

আচল কথাটো হৈছে প্ৰত্যেকেই অন্যায়ৰ সন্মুখীন হয়। এইটো এনি চুলিভান, যৌৱন কালৰ যোচেফ আৰু যীচু খ্ৰীষ্টই, যিসকলে স্মৰণ চিহ্ন অন্যায় সহন কৰিবলগীয়া হৈছিল তেওঁলোকৰ বাবেও এইটো সম্পূৰ্ণ সত্য হয়। (ইব্ৰী ১২ ঃ২)। আচল বিষয়টোক আমি মনত ৰখাৰ প্ৰয়োজন হৈছে যে আমি অপ্ৰীতিকৰ ব্যৱহাৰৰ প্ৰতি কেনে প্ৰতিক্ৰিয়া কৰো।

অন্যায়ৰ প্ৰতি বা ব্যৱহাৰৰ প্ৰতি খঙেৰে, তিক্ততাৰে আৰু প্ৰতিশোধেৰে প্ৰতিক্ৰিয়া দেখুওৱা কাৰ্য্য উচিত উত্তৰ নহয় (ইফিচীয়া ৪ ঃ৩১-৩২)। বৰং ঈশ্বৰত বিশ্বাস ৰাখি বাধ্য হ'লে প্ৰকৃত শান্তিৰ মন হ'ব আৰু তাৰ মাজতে অনন্ত জীৱনলৈ প্ৰৱেশ কৰায়। (ফিলিপীয়া ৪ ঃ৬-৭, মথি ১৯ঃ১৭)

যীচু খ্ৰীষ্ট এই পৃথিৱীত ৰাজত্ব কৰাৰ সময় আহি আছে (প্ৰকাশিত বাক্য ৫ঃ১০, ১১ঃ১৫, ২০ঃ১-৫)। যেতিয়া সেইদিন আহিব আমাৰ অপৰাধবোৰৰ লগতে আমি ব্যক্তিগতভাৱে অতীত কালত কৰি যোৱা পাপবোৰক পাহৰি যোৱা হ'ব (ৰোমীয়া ৮ ঃ১৮,৩৫-৩৯)।

গতিকে পৰৱৰ্তী সময়ত আপুনি নিৰ্দোষী হ'লেও যদি আপোনাক কোনোবাই অন্যায়ভাৱে ব্যৱহাৰ কৰি আছে বুলি আপুনি অনুভৱ কৰিব তেতিয়া ইয়াৰ ফলস্বৰূপে আপুনি কি কৰিব? তেতিয়া আপুনি সাৱধানে এই বাক্যক সোঁৱৰণ কৰিব 'যিবিলাকে ঈশ্বৰক প্ৰেম কৰে, যিবিলাকে তেওঁৰ অভিপ্ৰায় অনুসাৰে আমন্ত্ৰিত, তেওঁবিলাকৰ পক্ষে সকলোৱেই মঙ্গলৰ অৰ্থে একেলগে কাৰ্য্য কৰিছে' (ৰোমীয়া ৮ ঃ২৮)। যেতিয়া জীৱনত অপ্ৰীতিকৰ পৰিস্থিতিবোৰ আহিব, তেতিয়া আহক আমি এই পদটিক আমাৰ জীৱনত প্ৰতিবিম্বৰ দৰে ৰাখিম আৰু কাৰ্য্য কৰিম!

-জন লাবিচ'নিয়েৰি

# মণ্ডলী বৃদ্ধিৰ বাবে প্ৰাৰ্থনাৰ শক্তি

- ডেভিদ ইয়ংগি চ

মই এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত ক'ব বিচাৰিছো যিয়ে মণ্ডলী বৃদ্ধি আনে। মণ্ডলীৰ বৃদ্ধি পাবৰ বাবে আমি ঈশ্বৰৰ পৰা পাবৰ বাবে যুগুত হ'ব লাগিব। প্ৰাকৃতিকভাৱে মণ্ডলীৰ বৃদ্ধি নাহে। গতিকে মণ্ডলীৰ বৃদ্ধিৰ এক নম্বৰ বিষয়টো হৈছে নিৰন্তৰ প্ৰাৰ্থনা।

প্ৰাৰ্থনাৰ অবিহনে, আপুনি মণ্ডলীৰ বৃদ্ধিৰ সপোনো চাব নোৱাৰে। বহুত মানুহে মণ্ডলীৰ বৃদ্ধিটো মানুহৰ জ্ঞানৰ দ্বাৰাই আনিব বিচাৰে, কিন্তু তেওঁবিলাকে বিফল হৈছে। মণ্ডলী বৃদ্ধি পবিত্ৰ আত্মাৰ শক্তিৰে আহে, আৰু মণ্ডলীৰ বৃদ্ধি অধিক প্ৰাৰ্থনাৰ যোগেদিহে হ'ব পাৰে।

ঈশ্বৰে আমাক সৃষ্টি কৰিছে যাতে আমি তেওঁলৈ আৰাধনা আৰু প্ৰশংসা কৰিব পাৰিম। ঈশ্বৰে আমাৰ পৰা বিচৰা প্ৰথম বিষয়টো হৈছে যে আমি তেওঁৰ পৰিচৰ্য্যা, আমাৰ পৰিয়ালবৰ্গ আৰু আন সকলো বস্তুৰ বাবে প্ৰাৰ্থনা কৰিব লাগে আৰু শেষতহে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিব লাগে। এইটো আমি ডাঙৰ ভুল কাম কৰিছো। আপোনাৰ জীৱনৰ যিকোনো গুৰুত্বপূৰ্ণ বিষয় থাকিলেও ঈশ্বৰলৈ কৰা পৰিৰ্চয্যা প্ৰথম স্থানত থাকিব লাগে। এই গতিকে ঈশ্বৰে আপোনাক এই জগতলৈ আহ্বান কৰিছে।

ঈশ্বৰ হৈছে সৰ্বশক্তিমান গতিকে তেওঁক আমাৰ সহভাগিতাৰ প্ৰয়োজন নাই, কিন্তু এইটো এটা ডাঙৰ মিছা কথা। ঈশ্বৰে হৈছে প্ৰেম, আৰু সহভাগিতাৰ বাবে প্ৰেমৰ এটা সীমাহীন ইচ্ছা থাকে। যেতিয়া আপুনি আপোনাৰ স্বামী বা স্ত্ৰীক প্ৰেম কৰে তেতিয়া আপুনি তেওঁৰ সৈতে অধিক সময় কটাব বিচাৰে, কিয়নো প্ৰেমে সহভাগিতা বিচাৰে। ঈশ্বৰে আপোনাৰ সৈতে গভীৰ সহভাগিতা পাবলৈ সন্তোষ পাবলৈ তেওঁৰ ওচৰত সীমাহীন প্ৰেম আছে।

প্ৰকাশিত বাক্য ৪ঃ১১, হে আমাৰ প্ৰভু ঈশ্বৰ, তুমিয়েই প্ৰশংসা, সমাদৰ আৰু পৰাক্ৰম পোৱাৰ যোগ্য, কিয়নো তুমিয়েই সকলোকে

স্ৰজিলা, তোমাৰ ইচ্ছা কাৰণেই সেই সকলো হ'ল, সকলো সৃষ্ট হ'ল।

ঈশ্বৰলৈ প্ৰশংসা, আৰাধনা আৰু প্ৰাৰ্থনা কৰাই হৈছে আপোনাৰ জীৱনৰ এক নম্বৰ দায়িত্ব। বহুত মানুহে মোক কয় যে, প্ৰাৰ্থনা কৰিবলৈ তেওঁলোকৰ সময় নাই, কিয়নো তেওঁলোক বহুত ব্যস্ত হৈ আছে। প্ৰকৃততে এই লোকসকলৰ মণ্ডলীত ৫০০ বা ১,০০০ মানুহ আছে, গতিকে মই তেওঁলোকৰ অজুহাতক মানি নলওঁ। মোৰ মণ্ডলীত ৭০০০,০০০ ত কৈয়ো অধিক লোক আছে, তথাপি ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিবলৈ মোৰ হাতত যথেষ্ট সময় থাকে। প্ৰতিদিনে মোৰ ওপৰত ব্যস্ততাৰ বোজা থাকে। মোৰ মণ্ডলীত ৭০০ জন পৰিচাৰক আছে। আমাৰ কাৰ্য্যলয়ত আৰু আমাৰ বাতৰি প্ৰস্তুত কৰা ৭০০ জন কৰ্মী আছে, লণ্ডন, পেৰিচ, ৱাৰ্চিংটন, ডি, চিত, নিউৰ্য়ক, মস্কো, আৰু গোটেই পৃথিৱীত ৮০০ জন কৰ্মী আছে আৰু মই এই সকলো লোকসকলৰ বাবে প্ৰতিদিনে সিদ্ধান্ত লওঁ। মই প্ৰভু যীচুখ্ৰীষ্টৰ সৈতে যথেষ্ট সময় খৰচ নকৰাকৈ আন আন কাৰ্যবোৰ আগতে কৰিবলৈ চেষ্টা নকৰো।

মই ধাৰ্মিকতা, শান্তি আৰু আনন্দ অনুভৱ নকৰালৈকে ঈশ্বৰৰ আগত তেওঁৰ সৈতে সহভাগিতাত সময় কটাওঁ; তেতিয়া তেওঁ মোক ক'ব “আজিলৈ হ'ব, যথেষ্ট হ'ব”। তেওঁ তেতিয়া মোলৈ তেওঁৰ আচৰিত আনন্দেৰে পৰিপূৰ্ণ কৰে। যেতিয়া মই ঈশ্বৰৰ উপস্থিতিৰ পৰা বাহিৰলৈ ওলাই আহোঁ, তেতিয়া তেওঁৰ উপস্থিতিয়ে মোৰ পাছে পাছে আহে আৰু তেতিয়া মই অতি প্ৰভাৱশালীৰে আৰু শক্তিৰে পৰিচৰ্যা কৰো। খালী ধৰ্মিয় নিয়মৰ ওপৰত গুৰুত্ব দি আপুনি মানুহক সহায় কৰিব নোৱাৰে। যদি আপুনি মানুহৰ প্ৰয়োজন বস্তুবোৰক ঈশ্বৰৰ ধাৰ্মিকতাত শান্তিত আৰু আনন্দত পূৰ্ণ কৰিছে, তেন্তে আপুনি নিশ্চয়ে তেওঁলোকৰ অভাৱবোৰক পূৰ্ণ কৰিছে। যদি আপুনি ঈশ্বৰৰ প্ৰকৃত শক্তিৰ অবিহনে গতি কৰিছে, তেন্তে আপুনি মিছাকৈ কৰি আছে। এইটো কিন্তু ভয়ানক কথা। ভয়ানক অভাৱ। গতিকে ঈশ্বৰৰ প্ৰকৃত পৰিচাৰক হ'বলৈ হ'লে আপুনি অন্তত্ব প্ৰতিদিনে এঘন্টাকৈ প্ৰাৰ্থনাত সময় দিব লাগিব।

অৱশ্যে প্ৰতিদিনে প্ৰাৰ্থনাত এক ঘন্টা দিয়াটোও এটা লজ্জাজনক কথা। মই মোৰ পৰিচাৰকসকলক প্ৰতিদিনে ৩ ঘন্টাতকৈ অধিক সময় প্ৰাৰ্থনাত দিবলৈ কওঁ। মই কওঁ, “আপোনালোকে যদিও পৰিদৰ্শন কৰিব নোৱাৰে, মোৰ কোনো আপত্তি নাই”। যদি আপোনালোক প্ৰাৰ্থনাত ৩ ঘণ্টাতকৈ অধিক সময় দিয়ে আৰু যেতিয়া আপোনালোকে ঈশ্বৰৰ শক্তিৰে পৰিচৰ্যা কৰিবলৈ ওলাই যাব; তেতিয়া ঘণ্টাত যিমান কাৰ্য কৰিব, মাত্ৰ ১ ঘণ্টাত তাতোকৈ অধিক প্ৰকৃত কাৰ্য কৰিব পাৰিব। ঈশ্বৰৰ আগত সময় অতিবাহিত কৰিলে, প্ৰভুৱে আপোনাক আচল ব্যক্তি বনাই দিব। আনবিলাকৰ কাৰ্যৰ সৈতে আমাৰ কাৰ্যবোৰক পৰিমানক তুলনা কৰাটো এটা ভুল কথা। ঈশ্বৰৰ আগত পৰিমানটো বহুত নহয়, কিন্তু প্ৰকৃত গুণ থাকিলেহে অধিক থকাক বুজাই মোৰ যৌৱন কালত, মোৰ মণ্ডলীক আনবিলাকৰ মণ্ডলীৰ লগত তুলনা কৰি আনন্দ উপভোগ কৰিছিলো, কিন্তু এতিয়া মই এনে কাৰ্য কেতিয়াও নকৰো। মোৰ মণ্ডলীত ১০,০০,০০০ মানুহ থাকিব পাৰে, কিন্তু ঈশ্বৰৰ সৈতে মোৰ যদি গভীৰতা নথকা সম্পৰ্ক থাকে, তেন্তে ইয়াৰ কোনো অৰ্থ নাথাকে। আত্মিক দিশত যিমানেই আপুনি সময় দিব, সিমানেই আপুনি পবিত্ৰ আত্মাক আপোনাৰ পৰিচৰ্যাত অভিজ্ঞতা লাভ কৰিব। আপুনি আৰু মাংসৰ শক্তিত পৰিচৰ্যা নকৰিব, কিন্তু পবিত্ৰ আত্মাৰ শক্তিত পৰিচৰ্যা কৰিব। মই যেতিয়া এজন যুৱক শিক্ষক হৈ আছিলো, মই ভাবিছিলো যে মোৰ মুখত শব্দৰ পৰিমানৰ পৰা শক্তি ওলাই আহিছিল। মই বহুত জোৰকৈ চিঞৰি প্ৰচাৰ কৰিছিলো। মই দেওবৰীয়া উপাসনাত, পুৱাবেলাৰ প্ৰাৰ্থনা সভাত আৰু গোটেই নিশা প্ৰাৰ্থনা সভাত বহু জোৰকৈ চিঞৰিছিলো। কিন্তু এতিয়া মই উপলব্দী কৰো যে মই মাংসিক শক্তিক ব্যৱহাৰ কৰি আছিলো।

যেতিয়া আপুনি প্ৰকৃততে ঈশ্বৰৰ শক্তিত থাকে, তেতিয়া আপোনাৰ চিঞৰাৰ প্ৰয়োজন নাই। আপোনাৰ অন্তৰত যেতিয়া ঈশ্বৰৰ পৰিপূৰ্ণতা থাকে, তেতিয়া আপুনি শান্তি, নিৰৱতা আৰু দৃঢ় প্ৰত্যয় লাভ কৰিব। যেতিয়া আপুনি ঈশ্বৰৰ সৈতে সময় অতিবাহিত কৰিব, তেতিয়া মানুহবিলাকে ৰক্ষা পাব আৰু আৰোগ্য লাভ কৰিব আৰু আপুনি পবিত্ৰ আত্মাৰ পৰাক্ৰমী শক্তিত পৰিচৰ্যা কৰিব।

****

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| Account Name | : | ECHO OF HIS CALL EDUCATIONAL TRUST |
| Account Number | : | 10232923805 |
| Bank Name | : | STATE BANK OF INDIA |
| Branch | : | TRIPLICANE, CHENNAI - 600 005 |
| IFSC Code No. | : | SBIN0000249 |

## এটি প্ৰিয় অনুৰোধ

আপোনালোক জানে যে আমি বহুত ধৰণৰ অভাৱত পৰি ভীষণ হেঁচাত আছো যেনে — কৰ্মচাৰীসকলৰ দৰমহা আৰু কাগজ কলম কিনাৰ খৰছ আৰু যাত্ৰা খৰছ বহুত আছে। সাধাৰণতে আমি কেতিয়াও কাৰো পৰা আৰ্থিক সহায় নিবিচাৰো। কিন্তু এতিয়া যিবিলাকে আমাৰ এই পৰিচৰ্যাক প্ৰকৃততে সমৰ্থন জনায় আৰু প্ৰেম কৰে তেওঁলোকলৈ আমাৰ এটি বিনম্ৰ অনুৰোধ যে তেওঁলোকৰ দান আৰু বৰঙণিসমূহ আমাৰ এই পৰিচৰ্যাত সহায় হ'বলৈ মণি অৰ্ডাৰ, চেক বা ডিমাণ্ড ড্ৰাফ, ফোনৰ যোগেদি বা এন, ই, এফ, টিৰ যোগেদি বা আন কোনো পদ্ধতিৰে আমালৈ পঠিয়াই দিয়ে যেন। ঈশ্বৰে আপোনাক নিশ্চয়ে আশীৰ্বাদ কৰিব।

**সম্পাদক**

তেওঁৰ আহবানৰ প্ৰতিধ্বনি

## মোৰ সাক্ষ্য ঃ



আমাৰ প্ৰভূ আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত শুভেচ্ছা জনাইছো ! মই পালক পিতৰ ৰায় আৰু পৰিয়ালে কৈছো।

কেই সপ্তাহৰ আগতে অকস্মাতে ৰোগত ভুগিছিলো তাৰ পাছতেই পৰীক্ষা কৰাত মোৰ কভিড-১৯ বুলি ধৰা পৰিল। মোৰ অৱস্থা অতি বেয়া হৈ গৈছিল আৰু অক্সিজেনৰ সহায় ল'বলগীয়া হ'ল। চিকিৎসকসকলে মই জীয়াই থকাৰ আশা হেৰুৱাই দিছিল। মই তাত ভৰ্তি হোৱাৰ দিনাই গম পালো যে যিমান সময় মোক অক্সিজেন দিয়া হ'ব সিমান সময়হে মই জীয়াই থাকিম। মোক কেনেধৰণৰ চিকিৎসা দিয়া হৈছিল আৰু কোনখন চিকিৎসালয়ৰ পৰা কোনখন চিকিৎসালয়লৈ নিয়া হৈছিল তাৰ একোকে গম মই পোৱা নাছিলো। মোৰ ভাৰ্যাও ৰোগত ভুগি আছিল সেয়ে তেওঁকো চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। মোক আই. চি. ইউ-ডিজাষ্টাৰ ৱাৰ্ডত ভৰ্তি কৰোৱা হৈছিল। প্ৰতিদিনেই দুজনৰ পৰা তিনিজনকৈ লোকৰ মোৰ ৱাৰ্ডত মৃত্যু হৈছিল। মই মোৰ অন্তৰত ভাবিলো যে মোৰো মৃত্যু যিকোনো সময়ত হ'ব পাৰে ! মোৰ পৰিয়াল বা কাৰোবাৰ সৈতে যোগাযোগ নাছিল। মই জীয়াই থকাৰ আশা এৰি দি আছিলো, মই এটা ডাঙৰ বিশ্বাসেৰে প্ৰভূ যীচু খ্ৰীষ্টলৈ প্ৰাৰ্থনা কৰিছিলো। ঈশ্বৰে আচৰিত ভাৱে মোৰ আৰু মোৰ পৰিয়ালৰ বাবে আচৰিত কাম কৰিলে। শ শ লোকসকলে মোৰ আৰু পৰিয়ালৰ বাবে প্ৰাৰ্থনা কৰি আছিল ! ঈশ্বৰৰ প্ৰশংসা হওঁক ! মোৰ ভাৰ্যা আৰু মোৰ ছোৱালীলৈ হাজাৰ হাজাৰ ফোন কল আৰু বাৰ্তা আহিবলৈ ধৰিলে। তেওঁলোক একেবাৰে আমাক উৎসাহ যোগাই আছিল যে ঈশ্বৰে সকলো নিয়ন্ত্ৰণ কৰিব আৰু আমাৰ বাবে তেওঁ এক বিশেষ কল্পনা কৰিছে। বহুত লোকে একেৰাহে জীৱিত ঈশ্বৰলৈ প্ৰাৰ্থনা কৰি আছিল আৰু ঈশ্বৰে তেওঁলোকৰ প্ৰাৰ্থনাৰ উত্তৰ দিলে। বহুত মানুহ, যাক আমি আগেয়ে জনা নাছিলো।তেওঁলোক আমাক পৰিয়ালৰ সদস্যৰ দৰে হ'ল আৰু নিৰন্তৰে প্ৰেমেৰে আমাৰ বাবে প্ৰাৰ্থনা কৰি আছিল। ঈশ্বৰে তেওঁৰ অনুগ্ৰহেৰে মোলৈ আৰু মোৰ ভাৰ্যালৈ আৰোগ্য দান কৰিলে। প্ৰভূৰ গৌৰৱ হওঁক।

যিসময়ত আমাৰ পৰিয়াললৈ এক ডাঙৰ ধ্বংস আহি আছিল, আমাৰ প্ৰভূৱে ইয়াক এটা আনন্দৰ আৰু কৃতজ্ঞতাৰ সাক্ষ্যলৈ পৰিৱৰ্তন কৰিলে। এইয়া কেৱল আপোনালোকৰ প্ৰাৰ্থনাৰ সহায়ৰ বাবেহে হ'বলৈ পালে। আমাৰ এই বেয়া সময়ত যিসকলে আমাৰ বাবে প্ৰাৰ্থনা কৰি আছিল সেই সকললৈ আমাৰ প্ৰেমৰ কৃতজ্ঞতা জনাইছো। আমাৰ বাবে ঈশ্বৰ দয়ালু আৰু উত্তম হৈ আছে।

আজি, আমি পুনৰ এটা পৰিয়ালৰ নিচিনা একলগ হ'বলৈ পালো ! আমি ভালকৈ আৰোগ্য হ'লো। ঈশ্বৰে আমাৰ বাবে এই মহান প্ৰেম দেখুওৱাৰ বাবে আমি ঈশ্বৰক ধন্যবাদ জনাওঁ।


**NEHEMIAH BIBLE COLLEGES, CHENNAI, INDIA**

**ECHO OF HIS CALL MINISTRIES** (ESTD.: 1969)

**Affiliated to Hindustan Bible Institute & College (HBI), Chennai**

**&**

**Recognised by the International Christian Leaders & Senior Pastors for the 50 Years! Hundreds of candidates benefitted!!**

**RESIDENTIAL COLLEGE, Velachery**
**(Medium: English & Hindi)**
Course : Diploma in Theology,
Qualification : 10th Standard
Period : One year (with field and administrative trainings)

Golden Opportunity!

Don't miss!!

God is Calling you!!!

**EVENING COLLEGE, Chepauk Santhoshapuram**
**(Medium : Tamil)**
Course : Diploma in Theology
*Monday, Tuesday & Thursday 6.30 PM to 8.30 PM*
(Evening Classes - Chepauk)
Qualification : 10th Standard
Period : One year (with Special Seminars on holidays)

**Pastor S. Sam Selva Raj, Founder-President**

**For more details & application forms please contact :**

NEHEMIAH BIBLE COLLEGES

10, Mohammed Abdullah 2nd Street, Bells Road, Opp. Cricket Stadium, Chepauk, Chennai - 600 005, India.

**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell No : (+91) 98410 71852, 95661 31858**

**E.mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Websites : www.echoofhiscall.org / www.echoofhiscall.com**



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

**"কিন্তু যিবিলাকে যিহোৱালৈ অপেক্ষা কৰে, তেওঁবিলাকে নতুন নতুন বল পাব..." (যিচয়া ৪০ঃ৩১)**

মোৰ জীৱনৰ প্ৰথম অৱস্থাত ১৯৭২ চনত চেন্নাইত থকা চাইডাপেট নামৰ ঠাই এখনত এখন প্ৰচাৰকমূলক সভাৰ আয়োজন কৰিবলৈ মোৰ মনলৈ আহিল। সভাৰ বাবে মানুহ মাতিবলৈ বেৰ-ফলক, হাতেদি দিয়া নিমন্ত্ৰণী পত্ৰ ইত্যাদিৰ যোগেদি আমি যথেষ্ট বিজ্ঞাপন কৰিলো। মানুহ গোটাবৰ বাবে মই আৰু মোৰ সহকৰ্মীবোৰে যিমান পাৰো সিমান চেষ্টা কৰিছিলো।

এই কাৰ্য্যসূচীৰ কৃতকাৰ্য্যৰ বাবে বহুত প্ৰাৰ্থনাও কৰা হ'ল। মোৰ কিছুমান বন্ধুসকলে বাদ্যযন্ত্ৰ আৰু বিশেষ গীতৰ কিতাপবোৰ আনিছিল। সভাৰ আৰম্ভণিৰ সময়ত আমি মানুহ জমা হোৱা দেখা নাপালো আমি বহুত দেৰি অপেক্ষা কৰাৰ পাছত অৱশেষত দুজন ককায়েক-ভায়েক আহি সভাত উপস্থিত হ'ল। আমাৰ যিমান ভাইবিলাকে সভাৰ বাবে কষ্ট কৰিছিল তেওঁলোক নিৰাশ হৈ গৈছিল। তেওঁলোকে মোক ক'লে আমাৰ নিৰন্তৰ প্ৰাৰ্থনাৰ উত্তৰ কিয় নিদিলে আৰু ইমান পৰিশ্ৰমৰ সন্মান মোক কিয় ঈশ্বৰে নিদিলে? মই তেওঁলোকক কলো যে ঈশ্বৰে নিজৰ পৰিকল্পনাৰ মতেহে আমাক উত্তৰ দিব। মইপ্ৰকৃততেই আশা হেৰুওৱা নাছিলো। মই মোৰ প্ৰভু ঈশ্বৰত নিজকে বলবান কৰিলো। (১ চামুৱেল ৩০ঃ৬)

যি কি নহওক, আমি আমাৰ উপাসনা আৰম্ভ কৰিলো আৰু মই এক শক্তিশালী বাৰ্তা দিবলৈ আৰম্ভ কৰিলো, তাত অংশ গ্ৰহণ কৰা দুজনৰ মাজত এজনে তেওঁৰ জীৱন প্ৰভুলৈ শোধাই দিলে আৰু পাছলৈ সেই ভাইজনে মোৰ লগত ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ নিজকে শোধাই দিলে।

এতিয়া ভাৰত তথা ভাৰতৰ বাহিৰৰ দেশসমূহৰ সভাবিলাকত হাজাৰ-হাজাৰ মানুহৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰাত ঈশ্বৰে মোক ব্যৱহাৰ কৰি আছে। ঈশ্বৰৰ নাম গৌৰৱান্বিত হওঁক। মই বহুত ধৈৰ্য আৰু বিশ্বাসেৰে ইয়াৰ বাবে বহুত বছৰ অপেক্ষা কৰিবলগীয়া হৈছিল।

মোৰ প্ৰিয় ভাই আৰু ভনীসকল, আপুনি বিফলতাৰ এখন নাৱত যাত্ৰা কৰি আছেনে? আপোনালোকে ভাবেনে যে আপোনালোকৰ লঘোণ প্ৰাৰ্থনা আৰু পৰিশ্ৰমবোৰে একো ফল দিয়া নাই? কেতিয়াবা আমি যেতিয়া সক্ৰিয়ভাৱে আৰু অধিক আশাৰে তৎক্ষণাত ঈশ্বৰৰ পৰা আমি ফল পাব বিচাৰো কিন্তু ঈশ্বৰে আমাৰ বিশ্বাস আৰু তেওঁৰ প্ৰতি থকা আমাৰ ধৈৰ্যক পৰীক্ষা কৰিবলৈ ক্ষান্ত হৈ থাকে।

"সেই বিশ্বাসৰ পৰীক্ষা-সিদ্ধতা যেন যীচু খ্ৰীষ্ট প্ৰকাশিত হোৱা কালত, প্ৰশংসা, গৌৰৱ আৰু সমাদৰ জনক দেখা যাব, তাৰ কাৰণে আৱশ্যকমতে এতিয়া অলপ কাল নানাবিধ পৰীক্ষাত শোকাকুল হ'লেও, তোমালোকে উল্লাস কৰিছা" (১ পিতৰ ১ঃ ৭)

ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

****

**Please pray for our**

- Echo of His Call (16 languages)
- Multi-lingual Churches
- Nehemiah Bible Colleges

- Editor

**ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম**

## ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱনঙ্গ** নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম ঃ পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয় ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪২ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰ** বটা দিয়া হ'ব।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College, Echo of His Call**
10, Mohammed Abdullah 2nd Street, Opp. Cricket Stadium,
Chepauk, Chennai - 600 005, India.
Ph. : (044) 2852 8282, 2852 9293, 2854 7766 Cell : (+91) 95661 31858
98410 71852. E-mail : biblecor@yahoo.co.in

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

# ECHO OF HIS CALL

**Monthly magazines in 16 languages, Bible Colleges, Postal Courses, Church Planting, Village English High School, Gospel Printing Press, Crusades, Seminars, Social Services, etc.**

**Annual Subscription : Rs. 100/- Life Subscription : Rs. 2000/-**

The multifarious activities of **Echo of His Call Ministry** is supported by the free-will offerings and donations of the God's Children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us. Whenever you change your postal or e-mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our websites also. You can read it by going into the site as well as downloading it and get blessed.

Your letters, prayer requests and your financial helps (by D.D., Cheque, M.O. etc.) to **ECHO OF HIS CALL** may be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, Mohammed Abdullah 2nd Street, Chepauk,
Chennai - 600 005, India
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766,
**CELL : (+91) 95661 31858 / 98410 71852**
E-mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.echoofhiscall.com

**YOU CAN SEND YOUR DONATIONS ON ONLINE ALSO**

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEADQUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR -** Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikaans.
4. Nehemiah Bible Colleges (Two Centres)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 5.30 a.m. , 7.00 a.m. & 10.00 a.m. Sunday**
14. **Malayalam Service : 2.00 p.m. Sunday**
15. **Telugu Service : 4.00 p.m. Sunday**
16. **Hindi Service : 5.00 p.m. Sunday**
17. **English & Tamil Service : 6.00 p.m. Sunday**
18. Pastors' Counselling : 4.00 p.m. Sunday
19. Women's Prayer : 5.30 p.m. Wednesday
20. Mid-week Bible study : 6.30 p.m. Wednesday
21. Men's Prayer : 7.00 p.m. Friday
22. Workers' Meeting : 6.00 p.m. Saturday
23. House Meetings : 6.30 p.m. Monday & Tuesday
24. Special Holy Communion : 5.30 a.m. 1st day of each month
25. Ministers Review Meeting : 5.30 p.m. First Saturday
26. Parents' Prayer : 4.00 p.m. First Sunday
27. Night Prayer : 9.30 p.m. Second Friday
28. Fasting Prayer : 9:30 a.m. Third Saturday
29. Holy Communion : Second Sunday Services
30. Morning Devotion : 5.30 a.m. daily
31. Staff Devotion : 9.00 a.m. daily
32. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

RNI NO. TNASS/2000/2335
Postal Regn. No. TN/CH/(C)/204/18-20
WPP NO. TN/PMG(CCR) / WPP- 262/18-20
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th OCTOBER 2020
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957,
Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**